**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
*--------------------*

১। অসম দেশৰ দ্ৰুত বিকশিত ৰাজ্যৰ তালিকাৰ তৃতীয় স্থানত উপনীত হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দাবী।

২। অনুকম্পামূলক নিযুক্তিৰ আবেদনসমূহ ছমাহৰ ভিতৰত বিবেচনা কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰাজ্য চৰকাৰক নিৰ্দেশ।

৩। ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ পৰহিলৈ সামৰণি।

৪। যাতায়াত ব্যৱস্থাক ৰূপান্তৰৰ নতুন গতিৰে সমৃদ্ধ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ তিনিটা উন্নত পথ কৰিডʼৰ নিৰ্মাণৰ পৰিকল্পনা। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত যোৱা নিশা পাঞ্জাৱ কিংছৰ হাতত চেন্নাই ছুপাৰ কিংছ ১৮ ৰাণত পৰাস্ত।

০০০০০০

অসম দেশৰ দ্ৰুত বিকশিত ৰাজ্যৰ তালিকাৰ তৃতীয় স্থানত উপনীত হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ২০২৪-২৫ বৰ্ষত ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ স্থিৰ মূল্যত ৭ দশমিক ৯ - ৪ শতাংশ হৈছে বুলি সামাজিক মাধ্যমযোগে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই পৰিসংখ্যাই অসমৰ উন্নয়নক নতুন গতি দিবলৈ সমৰ্থ হʼব। ৰাজ্যখনৰ বিনিয়োগকাৰী সমৰ্থ নীতি, আন্তঃগাঁথনি উন্নয়ন, প্ৰতিষ্ঠান আৰু ব্যক্তিৰ ক্ষেত্ৰত স্থায়ী বিনিয়োগে এই বৃদ্ধিৰ কাৰক বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে মূলধনী ব্যয়ৰ ক্ষেত্ৰত অসমে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। তথ্য অনুসৰি ৰাজ্যখনৰ মূলধনী ব্যয় ২০১৫-১৬ চনত দুহেজাৰ ৯৫১ কোটি টকাৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষত আনুমানিক ২৪ হাজাৰ ৯৬৪ কোটি টকালৈ বৃদ্ধি পাইছে। মূলধনী বিনিয়োগত সৰ্বাধিক গুৰুত্ব দিয়াৰ ফলতে ৰাজ্যখনৰ বিকাশৰ গতি ক্ষিপ্ৰ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০

ৰাজ্যত ২৫ হাজাৰ অনুকম্পামূলক নিযুক্তি বন্ধ কৰিবলৈ অসম চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল হোৱা লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে ছমাহৰ ভিতৰত এনে নিযুক্তিৰ আবেদনসমূহ বিবেচনা কৰিবলৈ কালি চৰকাৰক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে যোৱা বছৰৰ ১৮ ছেপ্তেম্বৰত ৰাজ্য চৰকাৰে এখন জাননীযোগে এই নিৰ্দেশ বন্ধ কৰিছিল। চৰকাৰৰ এই সিদ্ধান্তৰ প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰুজু হোৱা ৫৬ টা গোচৰ সন্দৰ্ভত ন্যায়াধীশ মাইকেল জোথানখোমাৰ বিচাৰপীঠে কালি এই সন্দৰ্ভত ৰায় প্ৰদান কৰে। এই সন্দৰ্ভত গোচৰীয়া পক্ষৰ এগৰাকী অধিবক্তাই এইদৰে কয় –

**-বাইট-**

সেই অনুসৰি ২০১৭ চনৰ পূৰ্বে মৃত্যু হোৱা চৰকাৰী কৰ্মচাৰীৰ সন্তান নাইবা আত্মীয়ক যোগ্যতাৰ ভিত্তিত অনুকম্পামূলক নিযুক্তিৰ আবেদন বিবেচনা কৰিবলৈ ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিয়ে। এই নিযুক্তিৰ বাবে ছমাহৰ সময়সীমাও বান্ধি দিয়া হৈছে। একেদৰে অনুকম্পামূলক আবেদন বিবেচনাৰ অন্তত গ্ৰহণ কৰা সিদ্ধান্ত আবেদনকাৰীক অৱগত কৰিবলৈও ন্যায়ালয়ে চৰকাৰক নিৰ্দেশ দিছে।

oooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন দাখিলৰ পৰহিলৈ সামৰণি পৰিব। এই নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহেও নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে দলীয় কাম-কাজ চলাই আছে।

ডিব্ৰুগড় জিলাত নিৰ্বাচনৰ ব্যয় নিৰীক্ষণ কোষ আৰু নিৰ্বাচনী আচৰণ বিধি নিৰীক্ষণ কোষৰ বিষয়ববীয়াসকলৰ এটা প্ৰশিক্ষণ কালি মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিষয়াসকলক বিশেষজ্ঞ প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে।

যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। জিলাখনত কালি নিৰ্বাচনত নিয়োজিত পলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰু বেলট বাকচসমূহৰ সাল সলনি প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

কামৰূপ জিলা প্ৰশাসনেও এই নিৰ্বাচনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে। জিলা প্ৰশাসনে মনোনয়ন প্ৰক্ৰিয়া সুকলমে চলোৱাৰ বাবে বিভিন্ন পৰ্যায়ত জিলাখনত ৩৮ গৰাকী আৰু ৰঙিয়া সম জিলাত ৪ গৰাকী বিষয়া নিয়োগ কৰিছে।

কাছাৰ জিলাত বিজেপিয়ে ১৩৮ খন আঞ্চলিক পঞ্চায়ত আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। আজি আঞ্চলিক পঞ্চায়তৰ বাকী থকা আসনসমূহৰ বাবেও প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হ'ব। জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা আঁখি দাস –

**- ভইচ -**

মাজুলী জিলাত দক্ষিণপাট সত্ৰৰ অতিথিগৃহত কালি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত জিলাখনৰ বিজেপি কৰ্মকৰ্তাসকলৰ মাজত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

গোৱালপাৰা জিলাৰ বিজেপি কাৰ্যালয়ত কালি বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত পঞ্চায়ত নিৰ্বাচনক লৈ অগপ-বিজেপি মিত্ৰজোঁটৰ এখন বৈঠক অনুষ্ঠিত হয়। আসন বুজাবুজিৰ ক্ষেত্ৰত মন্ত্ৰী পাটোৱাৰীয়ে জিলাখনৰ পূব গোৱালপাৰা আৰু জলেশ্বৰ সমষ্টিত আলোচনাৰ মাধ্যমেৰে দুয়োটা দলৰে প্ৰাৰ্থী দিয়া হ'ব বুলি উল্লেখ কৰে। সমষ্টি দুটাৰ জিলা পৰিষদৰ ৮ খন আসনৰ ভিতৰত অগপই ছখনত আৰু বিজেপিয়ে দুখনত প্ৰাৰ্থী দিব বুলি তেওঁ ঘোষণা কৰে।

১২ এপ্ৰিলত এই নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০

ৰাজ্যখনৰ যাতায়াত ব্যৱস্থাক ৰূপান্তৰৰ নতুন গতিৰে সমৃদ্ধ কৰিবলৈ চৰকাৰে তিনিটা উন্নত কৰিড'ৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে। এই কৰিড'ৰকেইটা হৈছে— শ্ৰীৰামপুৰ-গুৱাহাটী, গুৱাহাটী-শিলচৰ আৰু গুৱাহাটী-ডিব্ৰুগড়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ দুখন গুৰুত্বপূৰ্ণ চহৰ শিলচৰ আৰু ডিব্ৰুগড়ৰ পৰা ছঘণ্টাৰ ভিতৰত গুৱাহাটীলৈ যাত্ৰা কৰিব পৰাকৈ পথ আন্তঃগাঁথনি উন্নয়নৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে গুৱাহাটী-ডিব্ৰুগড় কৰিড'ৰৰ প্ৰাৰম্ভিক পৰ্যায়ৰ কাম আৰম্ভ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বৰাপানী হৈ গুৱাহাটী-শিলচৰ কৰিড'ৰৰ কামো শীঘ্ৰেই আৰম্ভ হ'ব।

০০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে অসমবাসীয়ে উৎসাহ-উদ্দীপনা বজাই ৰাখি বিহু পালন কৰিবলৈ সাজু হৈছে। মহিলাসকলে বিহুৰ সময়ছোৱাত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান যতনাই থোৱাৰ বাবে ঢেঁকীশালত ব্যস্ত হৈ পৰিছে। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেঁপাহৰ বিহুৱান বৈ-কাটি উলিয়াইছে। সমাগত ৰঙালী বিহু উপলক্ষে বিভিন্ন স্থানত কৰ্মশালা, বিপণী আদিৰ আয়োজন কৰা হৈছে।

ডিব্ৰুগড় জিলাৰ কানৈ মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয় আৰু হনুমান বক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু আছু গোটৰ উদ্যোগত কালি বিহু আখৰা আৰু ৰঙালী বিহু আদৰণী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে তিনিওখন মহাবিদ্যালয়ৰ অধ্যক্ষক ফুলাম গামোচা, চেলেং চাদৰ, জাপি আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়। অধ্যক্ষকেইগৰাকীয়ে অসমীয়া জাতীয় জীৱনত ৰঙালী বিহুৰ পৰম্পৰা তথা গুৰুত্ব ৰক্ষাৰ বাবে সকলোকে নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয় কেইখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত পিঠা-পনাৰ এখন মেলাও অনুষ্ঠিত কৰা হয়। ডিব্ৰু মহাবিদ্যালয়তো কালি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব'হাগী বিপণী শীৰ্ষক এটা কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাইয়ে মুকলি কৰা এই ব'হাগী বিপণীত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা পিঠা-পনা, আচাৰ, গামোচা, ৰুমাল আদিকে ধৰি বিহুৰ সৈতে জড়িত সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়।

তিনিচুকীয়া জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আজিৰে পৰা থানা চাৰিআলিৰ ডাকবাংলা চৌহদত অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। এই ব'হাগী মেলাত ভালেসংখ্যক আত্মসহায়ক গোটৰ মহিলাই থলুৱাভাৱে উৎপাদিত তথা নিজে প্ৰস্তুত কৰা সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰিছে।

ৰঙালী বিহুৰ প্ৰাকক্ষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন কৰ্মত নিয়োজিত ৰাজ্যখনৰ ভালেসংখ্যক নাগৰিকলৈ বিহুৱান প্ৰেৰণ কৰি বিহুৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ড০ শৰ্মাই এটা বাৰ্তাত ৰাজ্যখনৰ ৭ লাখ ৭৩ হাজাৰ ব্যক্তিলৈ বিহুৱান প্ৰেৰণ কৰাৰ বাবে ৫ লাখ ৬৪ হাজাৰ ৮১১ গৰাকী থলুৱা শিল্পীয়ে এই বিহুৱান প্ৰস্তুত কৰা বুলি জানিবলৈ দিছে। তেওঁ ইয়াৰ বাবে শিল্পীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। বৰ্তমানলৈকে ৰাজ্যৰ প্ৰতিখন জিলালৈ মুঠ ৪ লাখ ৪৩ হাজাৰ গামোচা প্ৰেৰণ কৰা হৈছে।

০০০০০০

চীনৰ প্ৰস্তাৱিত মেদগ বান্ধ প্ৰকল্প আৰু উত্তৰ-পূৰ্বাঞ্চলত এই বান্ধৰ ফলত হ'বপৰা বিপৰ্যয় সন্দৰ্ভত বিশেষজ্ঞসকলে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিযেশজ্ঞসকলে এইক্ষেত্ৰত ভাৰত চৰকাৰৰ পৰা দীৰ্ঘম্যাদী সক্ৰিয় সঁহাৰি আৰু বিজ্ঞানসন্মত কূটনীতি গ্ৰহণ কৰাৰ পোষকতা কৰিছে। উত্তৰ-পূব ভাৰতৰ বুদ্ধিজীৱিসকলৰ অনুষ্ঠান এছিয়ান কনফ্লুয়েন্সে কালি গুৱাহাটীত আয়োজন কৰা **হিমালয়ৰ পাদদেশত জল সুৰক্ষা, পাৰিৱেশিক অখণ্ডতা আৰু দুৰ্যোগ প্ৰতিৰোধ ব্যৱস্থা সুনিশ্চিত কৰা** শীৰ্ষক এখন দিনজোৰা আলোচনাচক্ৰত ভাগ লৈ বিভিন্ন ক্ষেত্ৰৰ বুদ্ধিজীৱিসকলে এই বান্ধৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত হ'ব পৰা বিধবংসী প্ৰভাৱৰ সম্ভাৱনীয়তাত আলোকপাত কৰে। অনুষ্ঠানত লেখক তথা তিববত বিশেষজ্ঞ ক্লড আৰ্পীয়ে কয়, যে চীনে মেদগ প্ৰদেশত বান্ধ নিৰ্মাণৰ জৰিয়তে শক্তি উৎপাদনৰ ক্ষেত্ৰত বিশেষ স্থান দখল কৰিব বিচৰাই নহয় বৰং ইয়াৰ জৰিয়তে চীন আৰু অৰুণাচলত য়াৰলুং ছাংপ' হিচাপে পৰিচিত ব্ৰহ্মপুত্ৰ নদীৰ পানী বিভিন্ন সুৰংগৰ জৰিয়তে য়েল্ল' নদীলৈ বোৱাই নিয়াৰ পৰিকল্পনা কৰিছে। অৰুণাচল প্ৰদেশৰ লোকসভাৰ সদস্য তাপিৰ গাৱয়ে আলোচনাচক্ৰত ভাগ লৈ কয়, যে চীনে এই বান্ধৰ জৰিয়তে ভাৰত তথা হিমালয়ৰ পাদদেশৰ দেশসমূহৰ বাবে এটা জলবোমা নিৰ্মাণ কৰিবলৈ আগবাঢ়িছে। চীনৰ সৈতে কোনোধৰণৰ জলচুক্তি সম্পন্ন হোৱা নাই বুলি উল্লেখ কৰি পূব অৰুণাচলৰ সাংসদগৰাকীয়ে এই বিষয়টো আন্তঃৰাষ্ট্ৰীয় মঞ্চত উপস্থাপন কৰি ইয়াৰ ফলত হ'বপৰা পাৰিৱেশিক প্ৰভাৱ সমূহৰ বিষয়ে অৱগত কৰিব লাগে বুলি মন্তব্য কৰে।

০০০০০০

টাই আহোম উন্নয়ন পৰিষদৰ উদ্যোগত আৰু আহোম জনজাতীয় গণমঞ্চ শিৱসাগৰ জিলা সমিতিৰ সহযোগত জয়সাগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত দহদিনীয়া টাই আহোম নৃত্য গীতৰ কৰ্মশালাৰ কালি সামৰণি পৰে। ৰাজ্যৰ মুঠ ১০ খন জিলাত যোৱা ৩০ মাৰ্চৰ পৰা এনে কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিখন জিলাতে ৫০ গৰাকীকৈ প্ৰশিক্ষাৰ্থীয়ে এই কৰ্মশালাত অংশ লয়। কৰ্মশালাত অংশগ্ৰহণকাৰী নৃত্য শিল্পীসকলৰ নিৰ্বাচিত দলে পৰৱৰ্তী সময়ত বিভিন্ন ঠাইত হ'বলগীয়া টাই আহোম নৃত্য গীতৰ কাৰ্যসূচীত ভাগ ল'ব বুলি টাই আহোম উন্নয়নৰ পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইয়ে প্ৰকাশ কৰিছে।

**—বাইট—**

০০০০০০

টাই-আহোম যুৱ পৰিষদে ২০১৩ চনৰ পৰা প্ৰদান কৰি অহা বীৰাংগনা মূলাগাভৰু বঁটা এইবাৰ মৰাণৰ বিশিষ্ট সমাজ সংগঠক অঞ্জলি মহন চেতিয়ালৈ আগবঢ়োৱা হৈছে। কালি টাই আহোম যুৱ পৰিষদে এখন সংবাদমেল যোগে এই বিষয়ে প্ৰকাশ কৰে। স্বদেশ আৰু স্বজাতিৰ প্ৰতি দুৰ্বাৰ প্ৰেম, সাহস আৰু ত্যাগৰ প্ৰতীক হিচাপে জাতিৰ স্বাভিমানক উজ্জীৱিত কৰি অহা বীৰাংগনা মূলাগাভৰু নামেৰে ৰাজ্যখনৰ শিক্ষা, কলা-সংস্কৃতি, সাহিত্য, ৰাজনীতি আৰু সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে কৃতি ব্যক্তিক এই বঁটা আগবঢ়োৱা হয়। ইয়াৰ আগেয়ে ড° অনিমা গুহ, নিৰুপমা বৰগোহাঞি, দীপালী বৰঠাকুৰ, মৃদুলা বৰুৱা, লাভলীনা বৰগোহাঁইকে ধৰি কেইবাগৰাকীও বিশিষ্ট মহিলাক এই বঁটা প্ৰদান কৰা হয়। অহা ৩০ এপ্ৰিলত এই বঁটা প্ৰদান কৰা হ'ব বুলি সংগঠনটোৱে প্ৰকাশ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে চেন্নাই ছুপাৰ কিংছক ১৮ ৰাণত পৰাস্ত কৰে। পাঞ্জাব কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১৯ ৰাণ সংগ্ৰহ কৰে। দলটোৰ প্ৰিয়াংছ আৰ্যই ৪২টা বলত ১০৩ ৰাণ কৰাৰ লগতে শশাংক সিং ৫২ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। চেন্নাইৰ হৈ খলিল আহমেদ আৰু ৰবীচন্দ্ৰন অশ্বিনে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০১ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ডেৰন কনৱেই সৰ্বাধিক ৬৯ ৰাণ কৰে। পাঞ্জাৱ কিংছৰ ল'কি ফাৰ্গুচনে দুটা উইকেট লাভ কৰে।

ইপিনে ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত কালি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক ৪ ৰাণত পৰাস্ত কৰে। কলকাতাই ২৩৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৩ উইকেটৰ বিনিময়ত ২৩৮ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ মিশ্বেল মাৰ্ছ আৰু নিকোলাছ পুৰাণে অৰ্ধশতৰাণ কৰে।

প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছ বিৰুদ্ধে খেলিব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আৰোপ কৰা উচ্চ নিৰিখৰ প্ৰতিশুল্কত যুক্তৰাষ্ট্ৰ আৰু চীনৰ মাজত বাণিজ্য যুদ্ধ তুংগত উঠিছে। ট্ৰাম্পৰ ১০৪ শতাংশপৰ্যন্ত প্ৰতিশুল্ক ভাবুকিৰ পিচত দুয়ো দেশৰ মাজৰ সংঘাত অধিক বৃদ্ধি পাইছে। এই বাকৰিতোক অসমীয়া প্ৰতিদিন কাকতে আজি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হচাপে পৰিৱেশন কৰিছে। ক্ৰিকেটৰ মহাতাৰকা শচীন তেণ্ডুলকাৰে কাজিৰঙাত উপস্থিত হৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ সৌন্দৰ্য দৰ্শন কৰিবলৈ দেশ-বিদেশৰ পৰ্যটকসকলক আহ্বান জনাইছে। বাগৰি বনাণচলত জীফ ছাফাৰী কৰি বনৰজাৰ লগতে বিভিন্ন বন্যজীৱ স্বচক্ষে প্ৰত্যক্ষ কৰি আপ্লুত হৈ পৰে ক্ৰিকেটৰ ভগৱানখ্যাত শচীন তেণ্ডুলকাৰ | ক্ৰিকেটাৰগৰাকীয়ে জীপ চাফাৰীৰ সময়ত কাজিৰঙাৰ সৌন্দৰ্য মোবাইলৰ কেমেৰাত আৱদ্ধ কৰা এখন বিশেষ আলোকচিত্ৰসহ এই বাতৰিটো নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ, The Times of India কে ধৰি প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আয় বৰ্হিভূত সম্পত্তিৰ গোচৰত কোকৰাঝাৰ জিলাৰ দেৱীতোলাৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া সূৰ্য বৰুৱাক মুখ্যমন্ত্ৰী তদাৰকী কোষে গ্ৰেপ্তাৰ কৰা বাতৰিটো আন কাকতসমূহৰ লগতে দৈনিক অসম কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। কালি আবকাৰী বিভাগে এখন ৰাজপত্ৰযোগে গুৱাহাটীত নিশা ১১বজালৈকে সুৰাৰ বিপণী খোলাৰ অনুমতি প্ৰদান কৰাৰ লগতে সুৰা বিপণী সম্পৰ্কীয় নীতি নিয়ম আৰু দামৰ সালসলনি কৰা বাতৰিটোক আমাৰ অসম, *The Sentinalৰ লগতে ভিন ভিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসম বিদ্যালয় শিক্ষা পৰিষদে শীঘ্ৰেই হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগতে মে মাহৰ প্ৰথম সপ্তাহত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ সম্ভাৱনা আছে। কালি এবছুৰ এটা প্ৰতিনিধি দলৰে আলোচনাত মিলিত হৈ বিদ্যালয় শিক্ষা

**পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে এই কথা সদৰী কৰে। দৈনিক অগ্ৰদূত আৰু দৈনিক জনমভূমি কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। এতিয়া পুনৰ উভতি গৈছো বাতৰিৰ মাজলৈ।**

000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

000000

সমাপ্ত